
# অসম চৰকাৰ



# বাজেট বক্তৃতা

১৯৬২-৬৩


শ্ৰীফখ্ৰুদ্দিন আলি আহমদ

বিত্তমন্ত্ৰী, অসম



মাৰ্চ, ১৯৬২

মাননীয় অধ্যক্ষ মহোদয়,

আপোনাৰ সন্মতিক্রমে মই ১৯৬২-৬৩ চনৰ বাবে বছৰৰ প্ৰথম চতুৰ্থাংশ, এপ্ৰিলৰ পৰা জুন মাহলৈকে এই কালছোৱাৰ বাবে অসম চৰকাৰৰ আয়-ব্যয়ৰ আনুমানিক হিচাব সদনৰ লেখানুদানৰ (Vote on account) বাবে দাঙি ধৰিবলৈ ওলাইছোঁ। এই সুযোগতে মই নবনিৰ্বাচিত সদনৰ সভ্যসকলৰ প্ৰতি সাদৰ সম্বৰ্ধনা জনাইছোঁ। ই বৰ আনন্দৰ কথা যে গোটেই ৰাজ্যতে নিৰ্ব্বাচন সুকলমে সমাধা হৈ গল। এই ৰাজ্যৰ বিকাশ, উন্নতি আৰু সমৃদ্ধিৰ নতুন যুগৰ সূচনা কৰাৰ মহৎ কৰ্ত্তব্য পালনত আৰু যি কৰ্ত্তব্য পালনৰ বাবে আমি অহা কেই বছৰ সম্পূৰ্ণ আত্মনিয়োগ কৰিব লাগিব, সেই মহৎ দায়িত্ব পালনত এই সদনৰ সকলোৰে পৰা সম্পূৰ্ণ সহযোগ আৰু সহায় পাবলৈ মই একান্ত আশা কৰিছোঁ। সাধাৰণ নিৰ্ব্বাচন হৈ যোৱাৰ কেইদিন মানৰ ভিতৰতে, গঠিত হোৱা নতুন চৰকাৰে অহা বছৰৰ ভিতৰত গ্ৰহণ কৰিবলৈ আৰু কাৰ্য্যকৰী কৰিবলৈ আঁচনি-সমূহৰ সম্পৰ্কে বিশদ বিবেচনা কৰাৰ আৰু সিদ্ধান্ত গ্ৰহণ কৰাৰ সুযোগ পোৱা নাই। তাৰ কাৰণে আৰু কেইদিন মানৰ প্ৰয়োজন হব। গতিকে এই আয়-ব্যয়ৰ আনুমানিক হিচাব নতুন চৰকাৰে আৱশ্যকীয় বুলি ভবা সংশোধনী আৰু সালসলনিৰ সৈতে, ১৯৬২ চনৰ জুন মাহত পুনৰ দাঙি ধৰাৰ বিষয়ে ভৰা হৈছে। কিন্তু যিহেতু বৰ্ত্তমান বিত্তীয় বছৰৰ সামৰণি পৰি আহিছে, সেই হেতু অহা বছৰৰ প্ৰথম চতুৰ্থাংশৰ বাবে এই সদনৰ দ্বাৰা ২০'৫৪ কোটি টকাৰ অনুমোদন জনোৱাৰ আৱশ্যক হৈছে আৰু পিছত যেতিয়া সদন পুনৰ মিলিত হব তেতিয়া সদস্যসকলে আয়-ব্যয়ৰ প্ৰস্তাৱসমূহ আৰু তাৰ লগতে নতুন চৰকাৰে আৱশ্যকীয় বোধ কৰা সংশোধনী আৰু সালসলনিৰ বিষয়ে খৰচি মাৰি আলোচনা কৰিবলৈ সুযোগ পাব।

২। কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰা কৰ আৰু শুল্কৰ পৰা ৰাজ্য চৰকাৰে পাব-লগীয়া অংশ আৰু তৃতীয় বিত্ত আয়োগৰ অনুমোদনক্ৰমে ভাৰত চৰকাৰে মানি লোৱা মতে আৰু প্ৰত্যেক উন্নয়ন বিভাগৰ বছেৰেকীয়া পৰিকল্পনা অনুসৰি পৰিকল্পনা আয়োগৰ লগত আলোচনাক্ৰমে উপনীত হোৱা ব্যৱস্থাসমূহৰ প্ৰতি লক্ষ্য ৰাখি, সদনৰ আগত বৰ্ত্তমানে দাঙি ধৰা আনুমানিক হিচাব প্ৰস্তুত কৰা গৈছে। ১৯৬১-৬২ চনৰ ১৭'৪ কোটি টকাৰ বছেৰেকীয়া পৰিকল্পনাৰ বিপৰীতে অহা বছৰৰ কাৰণে বৰ্দ্ধিত হাৰত ২৪'৪ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই বৰ্দ্ধিত হাৰক আমি নিঃসন্দেহে এটা তাৎপৰ্য্যমূলক বৃদ্ধি বুলি কব পাৰো। অপৰিকল্পিত বিভাগত বৰ্ত্তমানৰ আয়-ব্যয়ৰ ওপৰত ভিত্তি কৰি আৰু সাধাৰণভাবে বৃদ্ধি পোৱা ক্ৰমৰ মাত্ৰা ৰাখি আৰু নতুনকৈ লবলগীয়া প্ৰস্তাব আৰু আঁচনিসমূহৰ ওপৰত ভিত্তি কৰি এই আনু-মানিক হিচাব প্ৰস্তুত কৰা হৈছে। যদিও অনুন্নত বিভাগৰ সন্দৰ্ভত কৰা ব্যয় অনাৱশ্যকীয়ভাবে বৃদ্ধি কৰাটো পৰিহাৰ কৰা চৰকাৰে ইচ্ছা কৰে তথাপিও আশঙ্কা হয় যে অহা বছৰত এই সন্দৰ্ভতো অধিক ব্যয়ৰ ব্যৱস্থা কৰা আৱশ্যক হব—যাৰ কাৰণে ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰিবলৈ অধিক চেষ্টা অপৰিহাৰ্য্য হব। গতিকে অহা বছৰৰ বাজেট যে এই প্ৰথম আনুমানিক হিচাবতকৈ কিছু বেচি হব সেইটো স্বীকাৰ কৰা একান্ত প্ৰয়োজন।

৩। ৰাজ্যৰ অৰ্থনৈতিক দিশৰ পৰা বিচাৰ কৰি চালে, ১৯৬১-৬২ চনটো যথেষ্ট উদ্বেগ আৰু চিন্তাৰ মাজেদি পাৰ হৈ গৈছে। ৰাজ্যত উৎপত্তিহোৱা অপ্ৰত্যাশিত ঘটনা, যেনে—মিজো জিলাত "মৌতাম" দুৰ্ভিক্ষ, ভাষা আন্দোলন, সীমা নিৰাপত্তাৰ অধিক ব্যৱস্থা গ্ৰহণ আদি সমস্যাৰ লগতে পৰিবহন কৰ (Carriage tax) অনাদায় ইত্যাদি কাৰণত অৰ্থোপায় (Ways and Means) সন্দৰ্ভত ৭৬৮ লাখ টকা আগৰ বছৰৰ শেহতীয়া হিচাবত ঘাটি পৰে। বৰ্ত্তমান বছৰত ঘাটিৰ পৰিমাণ কমাবলৈ আৰু ৰাজ্যৰ বিত্তীয় পৰিস্থিতি যথাশীঘ্ৰে স্বাভাৱিক অৱস্থালৈ আনিবলৈ কেইবাটাও মিতব্যয়ী আৰু আন আন ব্যৱস্থা লোৱা হৈছিল। "মৌতাম", ভাষা আন্দোলন ইত্যাদিৰ বাবে যি অত্যধিক খৰচ ৰাজ্য চৰকাৰে কৰিবলগীয়া হৈছিল তাক পূৰাবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত যথেষ্ট বিত্তীয় সাহায্যৰ বাবে দাবী জনাইছিল আৰু যি কেন্দ্ৰীয় সাহায্য পোৱা গৈছিল সেই সাহায্যই উপৰোক্ত কাৰণত হোৱা ব্যয় আংশিকভাবে পূৰণ কৰিছে। দুৰ্ভাগ্যবশতঃ অলপতে প্ৰণয়ন কৰা আইনখনৰ সম্পৰ্কে আদালতত পুনৰ বৈধতাৰ প্ৰশ্ন উত্থাপন কৰাত পৰিবহন কৰৰ শিতানত, পাবলগীয়া যথেষ্ট টকা এতিয়াও আদায় নোহোৱাকৈ আছে। এই বাবে আৰু তাৰ লগতে দ্বিতীয় পৰিকল্পনাৰ বাবে অত্যধিক বৰ্দ্ধিত ব্যয়ৰ প্ৰতিশ্ৰুতি, যাক ৰাজ্যৰ স্বাভাৱিক আয়ৰ পৰা দিবলগীয়া হৈছিল আৰু প্ৰশাসন, শান্তি-শৃঙ্খলা ইত্যাদিৰ বাবে যি অধিক ব্যয় কৰিবলগীয়া হৈছিল, সেইবিলাক কাৰণত ১৯৬১-৬২ চনতো, এই সদনত আগেয়ে আশঙ্কা কৰা মতে যথেষ্ট ঘাটি দেখা গৈছিল। যি কি নহওক ১৯৬১-৬২ চনৰ আনুমানিক আয়-ব্যয় দাঙি ধৰোতে আশঙ্কা কৰা ৬ কোটি টকা ঘাটিৰ ঠাইত এতিয়া আশা কৰা গৈছে যে এই বছৰৰ শেহত ঘাটিৰ পৰিমাণ ৪.৩৯ কোটি টকা মান হব।

৪। ইয়াৰ আগতে উল্লেখ কৰিছোঁ যে বৰ্ত্তমানৰ এই আনুমানিক হিচাব কৰোতে আমাৰ ৰাজ্যই ভাৰত চৰকাৰে গ্ৰহণ কৰা বিত্ত আয়োগৰ অনুমোদনক্ৰমে পাবলগীয়া টকাৰ ওপৰত ভিত্তি কৰা হৈছে। এতিয়া মই সদনৰ আগত তৃতীয় বিত্ত আয়োগে কৰা অনুমোদনসমূহৰ আৰু তাৰ পৰা আমাৰ ৰাজ্যত হোৱা বিত্তীয় প্ৰতিক্ৰিয়াৰ বিষয়ে এটা থুল-মূল বিৱৰণ দাঙি ধৰিব খুজিছোঁ।

মাননীয় সদস্যসকলে জানে যে তৃতীয় বিত্ত আয়োগ গঠন কৰাৰ কাৰণসমূহ হল—(ক) সংবিধানৰ ২৮০ অনুচ্ছেদ অনুসৰি কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত কৰৰ পৰা হোৱা আয়ৰ বন্টনব্যৱস্থা পৰীক্ষা কৰা আৰু তাৰ বাবে অনুমোদন জনোৱা, (খ) সংবিধানৰ ২৭৫(১) অনুচ্ছেদৰ উপৰন্তু ব্যৱস্থা অনুসৰি, অনুসূচিত জাতিৰ উন্নতিৰ বাবে দিয়া কেন্দ্ৰীয় সাহায্য আৰু এই অঞ্চলসমূহ ৰাজ্যৰ আন আন অংশৰ শাৰীলৈ তোলাৰ বাবে যি খৰচৰ আৱশ্যক তাক বাদ দি ২৭৫(১) অনুচ্ছেদ অনুসৰি ৰাজ্যসমূহে পাবলগীয়া সহায়ক অনুদান (Grant-in-aid) অনুমোদন কৰা, আৰু (গ) কেন্দ্ৰীয় কৰ আৰু শুল্কৰ পৰা পোৱা আয় আৰু ৰাজ্যসমূহত অৰ্পিত কিন্তু কেন্দ্ৰই সংগ্ৰহ কৰা কৰ আৰু শুল্কৰ বণ্টন কৰা। ৰাজ্যৰ বিত্তীয় পৰিস্থিতিৰ ওপৰত বিত্ত আয়োগৰ প্ৰতিবেদনৰ যি প্ৰতিক্ৰিয়া হৈছে তাক নিম্নোক্তভাবে বিচাৰ কৰিব পাৰি।

(ক) কেন্দ্রই ধাৰ্য্য কৰা আৰু সংগ্ৰহ কৰা কিন্তু ৰাজ্যক অৰ্পণ কৰা কৰসমূহ—সংবিধানৰ ২৬৯ অনুচ্ছেদ মতে উক্ত অনুচ্ছেদত উল্লিখিত কিছুমান কৰ আৰু শুল্ক যি যি ৰাজ্যত ধাৰ্য্য কৰা হয় তাক সেই ৰাজ্যসমূহত অৰ্পণ কৰা হৈছে আৰু এইদৰে বিতৰণ কৰাত সংসদে (Parliament) প্ৰণয়ন কৰা আইনৰ ব্যৱস্থা অনুসৰণ কৰা হয়। এই ধৰণৰ কৰ আৰু শুল্ক—সম্পত্তি শুল্ক (Estate duty) আৰু ৰেলৰ যাত্ৰীৰ ভাড়াৰ ওপৰত লগোৱা কৰ। আগাৰ ৰাজ্যত দ্বিতীয় বিত্ত আয়োগৰ অনুমোদনৰ আগতে সম্পত্তি শুল্ক, ৰাজ্যসমূহৰ মাজত আয় কৰ বন্টনৰ হাৱ অনুসৰি অস্থায়ীভাৱে বিতৰণ কৰা হৈছিল। এই শিতানত অসমৰ ভাগত প্ৰায় ৬ লাখ টকা পৰিছিল। দ্বিতীয় বিত্ত আয়োগৰ অনুমোদনক্ৰমে অসমৰ ভাগত বিভাজ্য কুণ্ডৰ (divisible pool) পৰা ২.৫৩ দিয়া হৈছিল আৰু তাৰ পৰা বছৰি ৫.৫৩ লাখ টকা পোৱা গৈছিল। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা তৃতীয় বিত্ত আয়োগৰ অনুমোদন অনুসৰি আমাৰ ৰাজ্যৰ পাবলগীয়া শতকৰা হাৰ, বিভাজ্য কুণ্ডৰ ২.৭৫% লৈ বৃদ্ধি পাইছে। অনুমান কৰা হৈছে যে এই শিতানত বছৰি দহ লাখ টকাকৈ পোৱা যাব। ৰেলৰ যাত্ৰীৰ ভাড়াৰ ওপৰত কৰ ৰাজ্যসমূহক দিবলৈ প্ৰথমতে দ্বিতীয় বিত্ত আয়োগে অনুমোদন কৰিছিল, আৰু সেইমতে অসমৰ অংশ এই কৰৰ পৰা আদায় হোৱা মুঠ পৰিমাণৰ পৰা ২.৭১% দিবলৈ সিদ্ধান্ত কৰা হৈছিল। ইয়াৰ পৰা ১৯৬০-৬১ চনত আমাৰ ৰাজ্যই প্ৰায় ৩৭.৩৭ লাখ টকা পাইছিল। বৰ্ত্তমান বছৰত যাত্ৰীৰ ভাড়াৰ ওপৰত লগোৱা কৰৰ পৰা আয়ৰ সলনি দিয়া সাহায্য ১২.৪ কোটি টকাৰ পৰা ৩৪ লাখ টকা কৰা হৈছে। তৃতীয় বিত্ত আয়োগে এই সম্পৰ্কে কোনো সালসলনি অনুমোদন কৰা নাই। এইটো স্বীকাৰ কৰিব লাগিব যে সংসদে প্ৰণয়ন কৰা আইনত বিত্ত আয়োগক এই কৰ বন্টন কৰা ব্যৱস্থা সলনি কৰিবলৈ কোনো স্বাধীনতা দিয়া হোৱা নাই। আয়োগে ৰাজ্যসমূহৰ মাজত তদৰ্থ সাহায্য বন্টনৰ বাবেও কোনো সালসলনিৰ পৰামৰ্শ আগবঢ়োৱা নাই। এইটো বৰ দুখৰ বিষয় যে, বিশেষকৈ অসমৰ দৰে অনুন্নত ৰাজ্যত—যত ব্ৰহ্মপুত্ৰ দলং হোৱাৰ পিচত ৰেলৰ পৰিবহন-ব্যৱস্থা উন্নত হোৱাৰ লগে লগে এই কৰৰ পৰা আয়ৰ পৰিমাণ যে বাঢ়িব তাক এই ৰাজ্যক দিবলগীয়া ভাগৰ বেলিকা স্বীকাৰ কৰা হোৱা নাই।

(খ) কেন্দ্ৰই ধাৰ্য্য কৰা আৰু সংগ্ৰহ কৰা, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত বন্টন কৰা কৰসমূহ—সংবিধানৰ ২৭০ আৰু ২৭২ অনুচ্ছেদ অনুসৰি কৃষি আয় কৰৰ বাহিৰে আন কিছুমান আয়ৰ ওপৰত কৰ আৰু শুল্ক ভাৰত চৰকাৰে ধাৰ্য্য আৰু সংগ্ৰহ কৰে; সেই কৰ আৰু শুল্ক, আইনৰ ব্যৱস্থা অনুসৰি আৰু বিত্ত আয়োগৰ অনুমোদনক্ৰমে বিত্তীয় বছৰত মুঠ আদায় হোৱা পৰিমাণৰ ওপৰত শতকৰা হাৰে বণ্টন কৰে। এই শিতানত ৰাজ্যসমূহে পায়—(১) আয় কৰ আৰু (২) কেন্দ্ৰীয় আৱকাৰী শুল্ক দ্বাৰা গঠিত বিভাজ্য কুণ্ডৰ ভাগ। প্ৰথম বিত্ত আয়োগৰ অনুমোদনক্ৰমে আয় কৰৰ বিভাজ্য কুণ্ডৰ পৰা আমাৰ ৰাজ্যই বছৰি ১৩২ লাখ টকাকৈ পাইছিল। দ্বিতীয় বিত্ত আয়োগৰ অনুমোদনত মুঠ আয়ৰ শতকৰা ষাঠি ভাগ লৈ গঠিত হোৱা বিভাজ্য কুণ্ডৰ পৰা ২.৪৪% আমাৰ ৰাজ্যক দিছিল আৰু সেই টকাৰ পৰিমাণ ১৯৬০-৬১ চনত ২৭১ লাখ টকা আছিল।

১৯৫৯-৬০ চনৰ শেষ ভাগৰ পৰা জইণ্ট ষ্টক কোম্পানীসমূহৰ ওপৰত ধাৰ্য্য কৰা কৰক নিগম কৰ (Corporation tax) বুলি গণ্য কৰা হৈছে যাৰ ভাগ ৰাজ্যসমূহে নেপায়। কিন্তু দ্বিতীয় বিত্ত আয়োগৰ আয় কৰ সম্পৰ্কীয় বন্টনৰ অনুমোদনত ৰাজ্যসমূহত উদ্ভৱ হোৱা প্ৰতিক্ৰিয়া, তদৰ্থ সাহায্যৰ দ্বাৰা প্ৰতিহত কৰা হয়। কোম্পানীসমূহৰ ওপৰত লগোৱা আয় কৰক নিগম কৰ হিচাবে পৰিগণিত কৰাত আৰু ইয়াক বিভাজ্য কুণ্ডৰ পৰা উলিয়াই নিয়াত, দ্বিতীয় বিত্ত আয়োগৰ অনুমোদনত আয় কৰৰ বিভাজ্য কুণ্ডৰ মুঠ পুঁজিৰ যথেষ্ট হ্ৰাস হৈছে। ইয়াৰ দ্বাৰা কেৱল বিভাজ্য কুণ্ডৰে যথেষ্ট হ্ৰাস হোৱা নাই, তাৰ উপৰিও ভৱিষ্যতলৈ আমাৰ কাৰণে ইয়াৰ প্ৰতিক্ৰিয়া খুব বেচি প্ৰতিকুল যিহেতু আমাৰ ৰাজ্যত বৰ্ত্তমান ক্ৰমবৰ্দ্ধমান অৰ্থব্যৱস্থাত নিগম কৰৰ শীঘ্ৰে বিৰাট সম্প্ৰসাৰণ হোৱাৰ আশা আছে। ভাৰত চৰকাৰে গ্ৰহণ কৰা আয়োগৰ অনুমোদনক্ৰমে বিভাজ্য কুণ্ডৰ পুঁজি ৬০%ৰ পৰা ৬৬⅔% লৈ বৃদ্ধি পাইছে। তথাপিও আমাৰ ৰাজ্য এই শিতানত লোকচানৰ সম্মুখীন হব। যিহেতু বন্টনৰ সংশোধিত ব্যৱস্থা অনুসৰি এখন ৰাজ্যত জনসংখ্যা হিচাবে ৮০% আৰু আদায়ৰ ২০% ৰাজ্যৰ মাজত বিতৰণ কৰা হব। এই বন্টন-ব্যৱস্থা শিল্প বিষয়ত উন্নত ৰাজ্য কেইখনৰ কাৰণেহে প্ৰকৃততে অনুকুল হব; অসমৰ দৰে অনুন্নত ৰাজ্যসমূহৰ বেলিকা, যি ৰাজ্যৰ সম্পদসমূহ আন ৰাজ্যত কাৰ্য্যালয় থকা ব্যক্তিবিশেষ আৰু কোম্পানীসমূহে শোষণ কৰি আছে তেনেকুৱা ৰাজ্যৰ সমস্যাৱলী আৰু অসুবিধাবিলাকলৈ লক্ষ্য কৰা নাই। যদিও কৰ ধাৰ্য্য কৰিবলগীয়া যথেষ্ট আয় অসমতে হয় তথাপিও আমি তাৰ উপকাৰৰ পৰা বঞ্চিত, যিহেতু অসমৰ বাহিৰতহে বেচি ভাগ কৰ সংগ্ৰহ হয়। আমি জনসংখ্যাৰ ভিত্তিত ৭৫%, আয়তনৰ ভিত্তিত ১৫% আৰু আয়ৰ ভিত্তিত ১০% ধৰি লৈ বন্টন কৰিবলৈ দাবী জনাইছিলো। বৰ দুখৰ বিষয় যে আমাৰ দাবীসমূহৰ নায্য বিচাৰ নহল। বিভাজ্য কুণ্ড কুঞ্চিত হোৱাত আৰু বিত্ত আয়োগে বন্টনৰ নতুন ব্যৱস্থা গ্ৰহণ কৰাত অহা বিত্তীয় বছৰত আমি বৰ্ত্তমান বছৰতকৈ ৬০ লাখ টকা কম পাম। দিয়াচলাই, ধপাত আৰু বনস্পতিজাত সামগ্ৰীৰ পৰা আদায় হোৱা আৱকাৰী শুল্ক দ্বাৰা গঠিত হোৱা বিভাজ্য কুণ্ডৰ পৰা ১৯৫৬-৫৭ চনত প্ৰকৃততে আমাৰ ৰাজ্যই ৪৮ লাখ টকা পাইছিল। চেনি, চাহপাত, কফি, জালুক, তেল, বনস্পতি পৰিহাৰ্য্য (non-essential oil) এই কেইবিধ সামগ্ৰীৰ ওপৰত লগোৱা কৰ দ্বিতীয় বিত্ত আয়োগে বিভাজ্য কুণ্ডৰ অন্তৰ্গত কৰিছিল আৰু সেই সামগ্ৰীসমূহৰ ওপৰত লগোৱা কৰৰ ২৫% লৈ গঠন কৰা বিভাজ্য কুণ্ডৰ পৰা ৩·৪৬% অসমৰ ভাগত দিছিল। সেই অনুপাতে আমি যোৱা ৫ বছৰে বছৰি ১২০ লাখ টকাকৈ পাইছিলোঁ। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা তৃতীয় বিত্ত আয়োগৰ অনুমোদনত এই সামগ্ৰীসমূহৰ সংখ্যা, পেট্ৰল বাদ দি, ৩৫ লৈ বৃদ্ধি কৰা হৈছে, কিন্তু মুঠ আয়ৰ ২৫%ৰ ঠাইত ২০%ৰ দ্বাৰা বিভাজ্য কুণ্ড গঠিত হৈছে আৰু অসমৰ ভাগ এই বিভাজ্য কুণ্ডৰ ৩·৪৬%ৰ পৰা ৪·৭৩% লৈ বৃদ্ধি কৰা হৈছে। অহা বছৰত আমাৰ ৰাজ্যৰ কাৰণে, কেন্দ্ৰীয় বিত্তমন্ত্ৰী দপ্তৰে জনোৱা মতে এই শিতানত আয় ৩৪৫ লাখ টকা হব বুলি অনুমান কৰা হৈছে। এই হিচাবে কেন্দ্ৰীয় আৱকাৰী শুল্কৰ পৰা আমাৰ ভাগত বছৰি ২ কোটিতকৈ সৰহ টকা পোৱাৰ আশা আছে।

(গ) অতিৰিক্ত আবকাৰী শুল্ক :—ৰাজ্যসমূহে আগেয়ে ধাৰ্য্য কৰা বিক্ৰীকৰ (sale-tax) ৰ সলনি কেন্দ্ৰই ধাৰ্য্য কৰা শুল্কসমূহেই হল এই অতিৰিক্ত আবকাৰী শুল্ক। প্ৰথম আয়োগে প্ৰশ্নটোৰ এই দিশ বিবেচনা কৰা নাছিল। দ্বিতীয় আয়োগে অসমৰ কাৰণে ৮৫ লাখ টকা দিবলৈ স্বীকৃত হৈছিল ; আৰু এই স্বীকৃত টকা আন সকলো ৰাজ্যকে দিয়াৰ পিচত বাকী থকা টকাৰ ২·৭৩% অসমক দিছিল। এইদৰে অস্বীকৃত অনুদানৰ পৰা বৰ্ত্তমান বছৰত ১৭ লাখ টকা পোৱা গৈছিল। মিলত উৎপাদিত ৰেশম কাপোৰ এই আঁচনিত অন্তৰ্ভুক্ত হোৱা কিন্তু বাকী থকা কুণ্ডৰ পৰা অনুদান ২·৭৩% ৰ পৰা ২·৫০% লৈ কমোৱা কাৰণে, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গৃহীত তৃতীয় আয়োগৰ অনুমোদনক্ৰমে আমাৰ স্বীকৃত অনুদানৰ পৰিমাণ ৮৫·৮৮ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

(ঘ) ২৭৫ অনুচ্ছেদৰ মূল অংশানুসাৰে সহায়ক অনুদান (Grant in-aid) :—প্ৰথম আয়োগৰ এই শিতানত অনুমোদন আছিল বছৰি ১ কোটি টকা। দ্বিতীয় আয়োগৰ অনুমোদন আছিল বছৰি ৩৭৫ লাখ টকা। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা তৃতীয় আয়োগৰ অনুমোদনত এই সংখ্যা বছৰি ৫২৫ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ বাহিৰে তৃতীয় আয়োগে এই অনুচ্ছেদ অনুসৰি যাতায়াতৰ উন্নতিৰ বাবে বছৰি ৭৫ লাখ টকা অনুমোদন কৰিছে আৰু এই অনুমোদনো ভাৰত চৰকাৰে গ্ৰহণ কৰিছে।

(ঙ) মৰাপাত শুল্কৰ সলনি ২৭৩ অনুচ্ছেদ অনুসাৰে দিয়া সহায়ক অনুদান :—এই শিতানত প্ৰথম আয়োগৰ অনুমোদন আছিল বছৰি ৭৫ লাখ টকাকৈ আৰু ই ১৯৫৯-৬০ চন পৰ্য্যন্ত তিনি বছৰৰ কাৰণে বলবৎ আছিল আৰু বাকী দুবছৰত দ্বিতীয় আয়োগৰ অনুমোদনে ইয়াক বলবৎ ৰাখিছিল। এই অনুচ্ছেদ অনুসৰি কোনো অনুদান নিদিয়াত বিত্তীয় সাহায্যৰ ক্ষতিপূৰণ হিচাবে কোনো অনুমোদন তৃতীয় আয়োগে কৰা নাই।

(চ) স্বায়ত্তশাসিত জিলাসমূহৰ এলেকাধীন অংশত প্ৰশাসনৰ বাবে সংবিধান বলবৎ হোৱাৰ দুবছৰৰ আগৰ কালছোৱাত ৰাজহৰ উপৰি গৰ হিচাবে খৰচ কৰা টকাৰ অনুপাতে ২৭৫ অনুচ্ছেদ অনুসৰি আমাক এককালীন আৰু আবৰ্ত্তক অনুদান দিয়া হয় ; আগৰ যি খৰচৰ ওপৰত ভিত্তি কৰি তদৰ্থে অনুদান নিৰূপণ কৰা হৈছিল সেই খৰচৰ মাত্ৰা বৰ্ত্তমান বহুগুণে বাঢ়িছে সেই হেতুকে বছেৰেকীয়া স্থিৰ অনুদান (fixed grant) ৪০ লাখৰ পৰিমাণ বঢ়াবলৈ আমি জোৰ দিছিলো। আয়োগে এই বিষয়ে কোনো অনুমোদন জনোৱা নাই।

(ছ) ৰাজহৰ শিতানত ঘাটি পূৰাবলৈ, ৫২৫ লাখ টকা দিয়াৰ বাহিৰেও তৃতীয় বিত্ত আয়োগে ৰাজ্যসমূহক ৰাজ্যসমূহৰ পৰিকল্পনাৰ ৰাজহৰ অংশৰ ৭৫% ভাগ দিবলৈ অনুমোদন কৰিছে আৰু এইদৰে কোনো ৰাজ্যই যি পৰিমাণ টকা পাব তাক ২৭৫(১) অনুচ্ছেদ অনুসৰি পাবলগা সহায়ক অনুদানৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলৈ অনুমোদন দিছে—কিন্তু বিত্ত আয়োগৰ এই অনুমোদন ভাৰত চৰকাৰে গ্ৰহণ কৰা নাই।

৫। এইদৰে দেখা গৈছে যে তৃতীয় বিত্ত আয়োগৰ অনুমোদন অনুসৰি আমাৰ ৰাজ্যই, কেন্দ্ৰই আদায় কৰা শুল্ক আৰু কৰৰ পৰা ৰাজ্য চৰকাৰে পাবলগীয়া ভাগ আৰু কেন্দ্ৰীয় সহায়ক অনুদানৰ পৰা বৰ্ত্তমান বছৰত পোৱা ১০.০৩ কোটি টকাৰ ঠাইত বছৰি ১৩.০১ কোটি টকাকৈ পাব। যদিও বৰ্দ্ধিত এই তিনি কোটি টকাৰে চৰকাৰক বৰ্ত্তমান ৰাজহৰ শিতানত থকা ঘাটি পূৰাবলৈ আৰু দ্বিতীয় পৰিকল্পনাৰ বাবে বৰ্দ্ধিত আৰু প্ৰতিশ্ৰুত ব্যয় কৰিবলৈ সহায় কৰিব কিন্তু ৰাজ্যৰ বিশেষ সমস্যাৱলী সমাধান কৰিবলৈ আৰু অপৰিকল্পিত বিভাগত নানা আঁচনিৰ বাবে অঙ্গীকাৰ কৰা জৰুৰী ব্যয়সমূহ সম্পূৰ্ণ নুজুৰিব। ৰাজ্য চৰকাৰে আশা কৰিছিল যে বিত্ত আয়োগে এই সীমান্তবৰ্ত্তী ৰাজ্যখনৰ বিশেষ অসুবিধা আৰু সমস্যাৱলী সম্পূৰ্ণ বিবেচনা কৰিব আৰু সহায়ক অনুদান দিয়াত আৰু কেন্দ্ৰই সংগ্ৰহ কৰা শুল্ক আৰু কৰৰ অংশ বণ্টন কৰাত বিশেষ মনোযোগ দিব। এই সম্পৰ্কে আমাৰ আশা যথেষ্ট পৰিমাণে পূৰণ হোৱা নাই; ৰাজ্য চৰকাৰৰ সন্মুখত থকা জৰুৰী সমস্যাৱলী আৰু বাধা-বিঘিনিসমূহ সমাধানৰ বাবে অতিৰিক্ত ধন আৰু সাহায্য পাবলৈ ভাৰত চৰকাৰৰ ওচৰত এই প্ৰশ্নটো বেলেগে উত্থাপন কৰাৰ প্ৰয়োজন হব।

৬। আশা কৰা হৈছে যে অহা বিত্তীয় বছৰৰ শেষত আমাৰ বিত্তীয় পৰিস্থিতি বেচি সন্তোষজনক হব। বৰ্ত্তমান অনুমান কৰা মতে ব্যয়তকৈ আয়ৰ বাহিৰ পৰিমাণ ৪.৫৬ কোটি হব বুলি দেখা গৈছে। অৱশ্যে এই বাহিৰ পৰিমাণ অপৰিকল্পিত শিতানত আৱশ্যক অনুযায়ী হাতত লোৱা অতিৰিক্ত আঁচনি যিটো বৰ্ত্তমান অৰ্থোপায় (ways and means) পৰিস্থিতিৰ ক্ষেত্ৰত হোৱা ঘাটি পূৰণ কৰিবলৈ প্ৰয়োজন হব, সেই অনুপাতে বাহিৰ পৰিমাণ কমিব। অহা বছৰত ব্যয়তকৈ আয়ৰ বাহিৰ পৰিমাণ উলিয়াবলৈ দ্বিতীয় পৰিকল্পনাৰ ব্যয় সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ পৰা হিচাব-নিকাচৰ পিছত পাবলগীয়া, সীমান্ত নিৰাপত্তাত ৰাজ্য চৰকাৰে কৰা ব্যয়ৰ বাবে পাবলগীয়া সাহায্য আৰু কেন্দ্ৰই সংগ্ৰহ কৰা কৰ আৰু শুল্কৰ অংশ ধৰি তৃতীয় বিত্ত আয়োগৰ অনুমোদনক্ৰমে পাবলগীয়া টকাৰ ওপৰত ভিত্তি কৰা হৈছে। আশা কৰা মতে ব্যয়তকৈ আয়ৰ বাহিৰে অহা বছৰলৈ চৰকাৰে ৰিজাৰ্ভ বেঙ্কৰ লগত থকা ৰাজ্য চৰকাৰৰ বৰ্ত্তমান বছৰৰ হিচাবৰ শেহত হোৱা ঘাটি পূৰাবলৈ সহায় কৰিব আৰু ১৯৬২-৬৩ চনৰ শেহত অতি কমকৈ হলেও প্ৰায় ১৬.১ লাখ টকা উদ্বৃত্ত হব বুলি আশা কৰা হৈছে। যদিও এই উদ্বৃত্তৰ পৰিমাণ অতি তাকৰ তথাপিও বৰ্ত্তমান বছৰৰ ঘাটিৰ তুলনাত ই যথেষ্ট উন্নত অৱস্থা দেখুৱাইছে আৰু বিত্তীয় পৰিস্থিতিৰ স্বাভাৱিক অৱস্থালৈ প্ৰত্যাবৰ্ত্তন সূচাইছে। লগতে এইটোও স্বীকাৰ কৰিব লাগিব যে তৃতীয় পৰিকল্পনাৰ ক্ৰমবৰ্দ্ধমান দায়িত্ব বহন কৰিবলৈ আৰু সম্প্ৰসাৰিত প্ৰশাসন-ব্যৱস্থা আৰু বৰ্দ্ধিত উন্নয়ন আঁচনিসমূহৰ প্ৰয়োজন এই অতি তাকৰ বাহিৰ দ্বাৰা পূৰাবলৈ খুব টান হব। যোৱা কেইবছৰ ধৰি ভাৰত চৰকাৰৰ পৰা লোৱা সাহায্যমূলক ঋণ সুজিবলৈ এটা নিক্ষেপ নিধি (Sinking fund) গঠন কৰাটো প্ৰয়োজন হৈছে। আগেয়ে উল্লেখ কৰা হৈছে যে অপৰিকল্পিত শিতানত বৰ্ত্তমান চৰকাৰে বিবেচনা কৰা যোজনা আৰু আঁচনি অনুসৰি অধিক ব্যয়ৰ ব্যৱস্থা কৰাটো প্ৰয়োজন হব। কি ধৰণে

আৰু কি পৰিমাণে লায় বঢ়োৱা প্ৰয়োজন হব সেইটো চৰকাৰে বিবেচনা কৰিব আৰু সদনৰ অহা জুন অধিবেশনত দাঙি ধৰিবলগীয়া আনুমানিক হিচাবত অন্তৰ্ভুক্ত কৰা হব।

৭। মই ডাঠি কওঁ যে এই উপলক্ষে মই চৰকাৰৰ কাৰ্য্যাৱলীৰ ∙ অহা বছৰত গ্ৰহণ কৰিবলগীয়া আঁচনিসমূহৰ কোনো বিশদ বিবৰণ দিব নোখোজোঁ। সদনৰ পৰবৰ্ত্তী অধিবেশনত যেতিয়া ১৯৬২-৬৩ চনৰ চূড়ান্ত বাজেট দাঙি ধৰা হব তেতিয়াহে এই বিষয়টো বিবেচনাধীন কৰি ৰখা সমীচিন হব। গতিকে মই অহা বছৰটোৰ ভিতৰত কৰিবলগীয়া উন্নয়নমূলক আঁচনিসমূহৰ প্ৰধান প্ৰধান কথাৰ চমু আভাস দিম।

৮। ১২০ কোটি ব্যয়সাপেক্ষ ৰাজ্যৰ তৃতীয় পৰিকল্পনা এই বছৰৰ পৰা আৰম্ভ কৰাৰ লগে লগে নতুন নতুন নানা উন্নয়নমূলক আঁচনিসমূহৰ সূচনা হৈছে আৰু তাৰ কাৰণে খৰচৰ মাত্ৰা বহুতো বাঢ়িছে। দ্বিতীয় পৰিকল্পনাৰ প্ৰথম চাৰি বছৰত পৰিকল্পনা সম্বন্ধীয় ব্যয়ৰ ক্ষেত্ৰত বছৰি গড়ে ৯.৫ কোটি টকা ব্যয়ৰ ঠাইত এই বছৰ সেই ব্যয়ৰ মাত্ৰা প্ৰায় ১৭.. কোটি টকা হবগৈ আৰু অহা বছৰ সেই ব্যয়ৰ মাত্ৰা ২৩.৪ কোটি টকালৈ বঢ়োৱা হব। তৃতীয় পৰিকল্পনাৰ ব্যয় আৰু তাৰ সফলতাত উপনীত হবলৈ হলে ব্যয়ৰ মাত্ৰা অধিক বঢ়াটো অৱশ্যম্ভাৱী; আশা কৰা হৈছে যে এই বছৰৰ কাৰণে যুগুত কৰা আঁচনিয়ে সফলতা লাভ কৰিব। এই বছৰ আৰু অহা বছৰলৈ এই দুয়ো বছৰতে শক্তি উৎপাদনৰ আঁচনিত, যি বিষয়ত অসম আন ৰাজ্যতকৈ পিছ পৰি আছে, বিশেষ জোৰ আৰু গুৰুত্ব দিয়া হৈছে। ৰাজ্যিক বিদ্যুৎ মণ্ডলী (State Electricity Board) এ উমিয়াম জলবিদ্যুৎ পৰিযোজনাত যিদৰে আগ বাঢ়িছে সি বৰ সন্তোষজনক আৰু নামৰূপ তাপীয় পৰিযোজনা (Namrup Thermal Project) সম্পৰ্কীয় আৰু তাৰ আনুসঙ্গিক বিজুলী সৰবৰাহ ব্যৱস্থাৰ কাৰণে কাম হাতত লোৱা হৈছে। ১৯৬৩-৬৪ চনত এই দুই বৃহৎ আঁচনি সম্পূৰ্ণ নোহোৱালৈকে, শক্তিৰ চাহিদা পূৰাবলৈ ডিজেল চালিত বিদ্যুৎ উৎপাদনকাৰী অতিৰিক্ত যন্ত্ৰপাতি ৰাজ্যৰ বিভিন্ন ঠাইত ইতিমধ্যে বহুওৱা হৈছে আৰু আন কিছুমান ঠাইত বহুৱাৰৰ ব্যৱস্থা কৰা হৈছে। পৰিবহনৰ সুচলতা, যাৰ ওপৰত অৰ্থনৈতিক উন্নতিৰ ভালেখিনি নিৰ্ভৰ কৰে সেই বিষয়ে যথেষ্ট প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ দলঙৰ কাম সন্তোষজনকভাৱে আগ বাঢ়িছে। উন্নত ৰেলৰ সংযোগ ব্যৱস্থা, ৰেলৰ পৰিবহন সম্প্ৰসাৰণ আৰু বাট-পথ নিৰ্ম্মাণৰ আঁচনিৰে সেই অভাৱ যিমানদূৰ সম্ভৱ আঁতৰাবলৈ যত্ন কৰা হৈছে। শেলা আৰু শ্বিলঙৰ মাজত প্ৰথম পৰ্য্যায়ৰ ৰজ্জুপথ নিৰ্ম্মাণৰ কাৰণে পৃথিৱীব্যাপী টেণ্ডাৰ আহ্বান কৰা হৈছে। পাণ্ডুত আভ্যন্তৰীণ পোতাশ্ৰয় নিৰ্ম্মাণ-কাৰ্য্য আগ বাঢ়িছে আৰু আশা কৰা হৈছে যে ১৯৬৪ চনলৈ ইয়াৰ কাম সম্পূৰ্ণ সমাধা হব।

৯। গুৱাহাটীত ৰাজহুৱা খণ্ডৰ প্ৰথম তেল শোধনাগাৰৰ উদ্‌ঘাটন হোৱাৰ লগে লগে আনুসঙ্গিক নানা উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ বাট মুকলি হৈছে আৰু ইতিমধ্যে গুৱাহাটীত ব্যৱহাৰিক, অভিযান্ত্ৰিক আৰু নানা ধৰণৰ উদ্যোগ স্থাপিত হৈছে।

চৰকাৰী খণ্ডত প্ৰতিষ্ঠিত জাগী ৰোডৰ Spun Silk Mill এ ঔদ্যোগিক ক্ষেত্ৰত আন এটা গুৰুত্বপূৰ্ণ উন্নতি সূচাইছে আৰু আশা কৰা হৈছে যে অসমৰ ৰেশম শিল্পত ই যথেষ্ট ৰবঙ্গনি যোগাব। ৰাজ্যৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত যথেষ্ট ক্ষিপ্ৰতা পৰিলক্ষিত হৈছে; আশা কৰা হৈছে যে ব্যক্তিগত খণ্ডতো যথেষ্ট মূলধন খাটিব আৰু ইয়াৰ লক্ষণ দেখা দিছেই। ক্ষুদ্ৰ উদ্যোগৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে আৰু কুটীৰ-শিল্পৰ সমস্যাৱলী বিশেষকৈ বিত্তীয় আৰু বজাৰ সম্পৰ্কীয় সমস্যাবিলাক সমাধান কৰিবলৈ যত্ন কৰা হৈছে। বৰ্ত্তমান সম্প্ৰসাৰিত ভূতত্ব আৰু খনিবিষয়ক সঞ্চালক প্ৰতিষ্ঠান (Directorate of Geology and Mining) ৰ দ্বাৰা ৰাজ্যৰ খনিজ পদাৰ্থসমূহ উদ্ঘাটনৰ বাবে আৰু বেচি কাৰ্য্যকৰী পন্থা হাতত লোৱা হৈছে। ৰেশম আৰু বয়ন বিভাগতো যথেষ্ট সুযোগ আৰু আঁচনিৰ সম্প্ৰসাৰণ হৈছে।

১০। ঔদ্যোগিক আঁচনি আৰু বিকাশৰ লগে লগে এই বছৰটোত কৃষি আৰু তাৰ আনুসঙ্গিক বিষয়সমূহৰ ওপৰতো অধিক মনোযোগ দিয়া হৈছে। খাদ্য উৎপাদনৰ ক্ষেত্ৰত পৰিকল্পিত ৬২,০০০ টনৰ লক্ষ্যত উপনীত হোৱাৰ আশা কৰা হৈছে। পঞ্চায়ত আৰু স্থানীয় লোকৰ সহযোগত কৃষিমূলক আঁচনিসমূহ কাৰ্য্যকৰী কৰিবৰ অৰ্থে প্ৰায় ১০,০০০ পথাৰ পৰিচালনা সমিতি গঠন কৰা হৈছে। মীন মহল, পশু-পালন আৰু পশু-চিকিৎসাৰ ক্ষেত্ৰত যথেষ্ট ব্যাপক আঁচনি হাতত লোৱা হৈছে আৰু সেই আঁচনিসমূহ বৰ্ত্তমান বছৰৰ ভিতৰত কাৰ্য্যকৰী হব ধৰিছে।

১১। ৰাজ্যৰ সমতল অঞ্চলত ব্যাপকভাৱে মহকুমা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত গঠন কৰি গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ মূল সূত্ৰ কাৰ্য্যত পৰিণত কৰা হৈছে। আঞ্চলিক পঞ্চায়তসমূহ সেৱাখণ্ডৰ লগত সম্পূৰ্ণ খাপ খুউৱা হৈছে আৰু সেৱাখণ্ডৰ উন্নয়ন বিষয়াই এই অনুষ্ঠানসমূহৰ পদেন সচিবৰূপে কাম কৰিছে। পঞ্চায়তৰ প্ৰশাসন সম্পৰ্কত থকা লোকৰ কাৰণে এটি শিক্ষা প্ৰতিষ্ঠানৰ নিৰ্ম্মাণকাৰ্য্য এই বছৰৰ ভিতৰতে সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে আৰু পঞ্চায়তৰ চেক্ৰেটাৰী-সকলৰ প্ৰশিক্ষণৰ বাবে এটি পৃথক আঁচনি যুগুত কৰিবলৈ লোৱা হৈছে। এই গুৰুত্ব-পূৰ্ণ বিষয়ত জ্ঞান, অভিজ্ঞতা আৰু ভাবৰ আদান-প্ৰদানৰ বাবে চৰকাৰী, বেচৰকাৰী পৰ্য্যায়ত আৰু বিভিন্ন স্তৰত বৰ্ত্তমান বছৰৰ ভিতৰত কেইবাখনো সন্মিলন বহিছিল। ভৱিষ্যতৰ উপাৰ্জনৰ বাট বঢ়াৰ উদ্দেশ্যে উৎপাদনী শক্তি বৃদ্ধি কৰিবলৈ পঞ্চায়তসমূহক অনুদান আৰু ঋণ দিয়া হৈছে। যাতে খাদ্য উৎপাদনৰ আঁচনি কৃতকাৰ্য্যভাৱে সমাধা কৰিব পৰা যায় তাৰ বাবে খাদ্য উৎপাদন আঁচনি গাওঁ পঞ্চায়তৰ সৈতে যিমানদূৰ সম্ভৱ যোগাযোগ ৰাখি কৰা হৈছে। পঞ্চায়তৰ নতুন গাঁঠনিয়ে সমূহীয়া উন্নয়ন আৰু সমবায় গঠনৰ ক্ষেত্ৰত নতুন উৎসাহ আৰু উদ্দীপনাৰ আলোড়ন আনিছে। বৰ্ত্তমান ৰাজ্যত ৮৪টা সমূহীয়া উন্নয়ন সেৱাখণ্ডই কাম কৰি আছে আৰু বৰ্ত্তমানে ১২টা প্ৰাক্-বিস্তাৰ (Pre-cxtension) অৱস্থাত আছে। ৰাইজৰ সহযোগ আৰু বিস্তৃতভাৱে

পোৱাৰ কাৰণে আৰু স্থানীয় আঁচনিসমূহ পৰিকল্পনা আৰু কাৰ্য্যকৰী কৰাৰ দায়িত্ব স্থানীয় লোকৰ সম্ভাৰ হাতত ক্ৰমে ন্যস্ত কৰাৰ অভিপ্ৰায়েৰে অধিক কাৰ্য্যকৰী পন্থা হাতত লোৱা হৈছে।

১২। পাৰ্বত্য অঞ্চলসমূহত বহুমুখী সমূহীয়া উন্নয়ন সেৱাখণ্ডৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা উন্নতি অধিক সন্তোষজনক আৰু এই সেৱাখণ্ডসমূহে নিজ নিজ এলেকাত ক্ৰমে সৰ্ব্বতোমুখী উন্নয়ন সাধিব লাগিছে।

১৩। হাবি-বন আৰু ভূমি-সংৰক্ষণ শিতানত সম্প্ৰসাৰিত আঁচনি হাতত লোৱা হৈছে—ইয়াৰ ভিতৰত আছে Regeneration আঁচনি, হাবি-বনৰ ভিতৰত থকা যাতায়াতৰ উন্নত ব্যৱস্থা, হাবি-বনৰ সম্প্ৰসাৰণ আৰু অহা বছৰৰ মাজ ভাগৰ পৰা সম্পূৰ্ণ হব বুলি আশা কৰা Timber Treatment Plant, ভূমি-সংৰক্ষণ আঁচনিৰ একাংশ, যথা বন-জঙ্গল গজাবলৈ কৰা নানা আঁচনি, পাহাৰৰ গাত চাপ (terrace) দিয়া cash crop সংৰক্ষণ, ঋণ আৰু সাহায্যমূলক অনুদান দিয়াৰ আঁচনি কাৰ্য্যকৰী হব ধৰিছে।

১৪। সমবায়ৰ ক্ষেত্ৰত, এপেক্স মাৰ্কেটিং চোছাইটি, চেণ্ট্ৰেল বেঙ্ক আৰু লেণ্ড মৰ্টগেজ বেঙ্কসমূহক অধিক বিত্তীয় সাহায্য দিবলৈ কাৰ্য্যকৰী পন্থা হাতত লোৱা হৈছে। বৰ্ত্তমান বছৰত ৬টা প্ৰাথমিক মাৰ্কেটিং চোছাইটি, ৫০টা গাওঁলীয়া ভঁড়াল, ৬০৹ সেৱা-সমবায় আৰু ১০টা Consumer Co-operative আৰু সমবায় কৃষি পামৰ বাবে ২টা মুখ্য আঁচনি (Pilot Project) গঢ়ি তুলিবলৈ স্থিৰ কৰা হৈছে।

১৫। পৰিকল্পনাত লক্ষ্য কৰা অনুসৰি, শিক্ষাৰ ক্ষেত্ৰত সৰ্ব্বাঙ্গীন উন্নতি পৰিলক্ষিত হৈছে। বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ আঁচনি হাতত লোৱা হৈছে আৰু পাৰ্ব্বত্য জিলাসমহত প্ৰাথমিক আৰু জুনিয়ৰ বেছিক শিক্ষালয়সমূহ জিলা পৰিষদলৈ হস্তান্তৰ কৰা হৈছে। এই বছৰৰ ভিতৰত বহুতো মাধ্যমিক শিক্ষালয়ক উচ্চ মাধ্যমিক আৰু বহুমুখী শিক্ষালয়লৈ উন্নীত কৰাৰ কথা ভৰা হৈছে। শিক্ষালয় পৰিদৰ্শনৰ ব্যৱস্থা আগতকৈ সম্প্ৰসাৰণ কৰা হৈছে আৰু অতিৰিক্ত বৃত্তি আৰু গৱেষণাৰ সুবিধা বঢ়োৱা হৈছে। শিক্ষকৰ অৱস্থাৰ উন্নতি কৰাতো যে একান্ত প্ৰয়োজনীয়, এই নীতিকে মানি লৈ বৰ্ত্তমান বছৰৰ ভিতৰত বহুতো সিদ্ধান্ত লোৱা হৈছে। বৰ্ডৰ অধীনত থকা প্ৰাইমাৰী, জুনিয়ৰ বেছিক, চিনিয়ৰ বেছিক আৰু মাধ্যমিক শিক্ষালয়সমূহৰ মৰগীয়া বানচ পোৱা শিক্ষকসকলক যোৱা ১-৪-৬১ তাৰিখৰ পৰা, ১৯৬১-৬২ চনত ৯৫.৫ লাখ টকাৰ বিত্তীয় প্ৰতিক্ৰিয়াসম্পন্ন চৰকাৰী হাৰত মৰগীয়া বানচ দিয়া হৈছে। ঘাটি পৰা আঁচনি অনুসৰি, উচ্চ শিক্ষালয়ৰ শিক্ষকসকলক যোৱা ১-৪-৬১ তাৰিখৰ পৰা ১৯৬১-৬২ চনত ১৫.২১ লাখ টকাৰ বিত্তীয় প্ৰতিক্ৰিয়া-সম্পন্ন নগদ বানচ (Cash allowance) দিয়া হৈছে। সন্তোষৰ কথা যে, উপৰোক্ত শিক্ষকসকলৰ বহুদিন ধৰি চলিঅহা অভিযোগসমূহ আঁতৰোৱাৰ উপৰিও, কলেজৰ শিক্ষকসকলৰ দৰমহাৰ নিৰিখ বঢ়োৱা প্ৰতিবেদন, বিশ্ববিদ্যালয় অনুদান আয়োগৰ (University Grants Commission) সৈতে পৰামৰ্শ কৰি সন্তোষজনকভাৱে মীমাংসা কৰা হৈছে।

অহা কেইবছৰৰ ভিতৰত ৰাজ্যত প্ৰতিষ্ঠিত হবলগীয়া ঔদ্যোগিক প্ৰতিষ্ঠানসমূহৰ বাবে আৱশ্যকীয় শিক্ষিত অভিযন্তা আৰু প্ৰশাসনীয় ব্যক্তিৰ যোগান ধৰিবলৈ কাৰিকৰি শিক্ষাৰ বিষয়ত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। পলিটেকনিক আৰু ঔদ্যোগিক শিক্ষা প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ সা-সুবিধাৰ লগতে গুৱাহাটী আৰু যোৰহাটত থকা ইঞ্জীনিয়াৰিং কলেজ দুখনৰ সম্প্ৰসাৰণ কৰা হৈছে।

১৬। চিকিৎসাৰ বিষয়ত সম্প্ৰসাৰিত আঁচনি বৰ্ত্তমান বছৰত কাৰ্য্যকৰী কৰি থকা হৈছে। শ্বিলং, নগাওঁ আৰু যোৰহাটত নতুন চিকিৎসালয়গৃহ নিৰ্ম্মাণ কৰাৰ উপৰিও, পাঁচটা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, ষোল্লটা পৰিয়াল-পৰিকল্পনা কেন্দ্ৰ প্ৰতিষ্ঠিত হ'ব ধৰিছে। কুষ্ঠ আৰু যৌনব্যাধি চিকিৎসাৰ ব্যৱস্থাৰ সা-সুবিধা বঢ়োৱা হৈছে। গুৱাহাটী মেডিকেল কলেজৰ বাবে আৱশ্যকীয় মাটি অধিগ্ৰহণ হ'ব ধৰিছে আৰু এই বছৰৰ ভিতৰতে নিৰ্ম্মাণ-কাৰ্য্য আৰম্ভ আৰু আৱশ্যকানুযায়ী কৰ্ম্মচাৰীবৃন্দ নিযুক্ত হ'ব ধৰিছে। পূৰ্ব্বৰ লোকেল বৰ্ডৰ হাতত থকা চিকিৎসালয়, ডিচপেনচেৰি, আউটডোৰ চেন্টাৰ ইত্যাদি ধৰণৰ চিকিৎসাগোটসমূহ যিবিলাক চৰকাৰে হাতত লৈছে সেইবিলাকৰ নিৰ্ম্মাণ আৰু মেৰামতিৰ কাৰ্য্য চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু বিভিন্ন স্তৰত এই কাম হাতত লোৱাৰ ইচ্ছা আছে। সহায়তা আৰু পুনৰ্ব্বাস বিভাগৰ (Relief and Rehabilitation Department) দ্বাৰা স্থাপিত নানা চিকিৎসা গোটসমূহ হাতত লোৱাৰ উপৰিও চাৰিটা জনস্বাস্থ্য ডিচপেনচেৰি নতুনকৈ আৰম্ভ কৰা হৈছে। জাতীয় পানীযোগান আৰু চেনিটেচন যোজনামতে, টংলা, ডামলুক আৰু চাৰিঙত বৰ্ত্তমান বছৰৰ ভিতৰত কাৰ্য্যকৰী আঁচনি হাতত লোৱা হৈছে। শ্বিলং আৰু গুৱাহাটীত পানী-যোগান আঁচনি বৰ্ত্তমানে বিবেচনাধীন হৈ আছে আৰু ইয়াৰ প্ৰথম ভাগৰ কাম সমাধা হৈছে। ৰাজ্যৰ নিৰ্ব্বাচিত ৮খন নগৰ অঞ্চলত পানী-যোগান আৰু নলা কৰাৰ আঁচনি হাতত লোৱাৰ কথা আছে আৰু এই বিষয়ে কাম আগ বাঢ়ি আছে। এই সন্দৰ্ভত মই লক্ষীমপুৰ জিলাত বসন্ত আৰু মাজুআই ব্যাপকভাৱে দেখা দিয়াত চৰকাৰৰ গভীৰ উদ্বেগ প্ৰকাশ কৰিছোঁ। ই অতিশয় দুখৰ কথা যে এই মহামাৰিত ভালেমান জীৱন হানি হৈছে। যদিও যোৱা ডিচেম্বৰ মাহত প্ৰতিষেধক টিকা দিয়াৰ বিস্তৃত সা-সুবিধা দিয়া হৈছিল দুৰ্ভাগ্যবশতঃ তাৰ সম্পূৰ্ণ সুবিধা বহুতে গ্ৰহণ নকৰিলে। চৰকাৰে অৱস্থাৰ সম্মুখীন হবলৈ শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বহুতো টিকা দিয়া কেন্দ্ৰ আৰু এটা চহৰৰ বাহিৰত আচুতীয়া চিকিৎসালয়ৰ (isolation hospital) ব্যৱস্থা কৰিছে। মেডিকেল কলেজৰ কৰ্ম্মকৰ্ত্তা আৰু ছাত্ৰসকলে এই কাৰ্য্যত সক্ৰীয় সহযোগ আগ বঢ়াইছে। ডিব্ৰুগড়ক ব্যাপক ব্যাধি আক্ৰান্ত অঞ্চল বুলি ঘোষণা কৰা হৈছে আৰু বাধ্যতামূলকভাৱে টিকা দিয়াৰ কাৰ্য্য চলিয়েই আছে। বৰ্ত্তমান অৱস্থা আয়ত্বাধীনলৈ আহিছে আৰু দাঁতি-কাষৰীয়া জিলাসমূহত আৱশ্যকীয় প্ৰতিষেধক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আশা কৰা হৈছে যে অহা বছৰৰ পৰা সমগ্ৰ ৰাজ্য জুৰি বসন্ত নিৰ্ম্মূল অভিযান হাতত লোৱাৰ লগে লগে এনে ব্যাপক আক্ৰমণৰ কোনো শঙ্কা নেথাকিব।

১৭। বাণনিয়ন্ত্ৰণ, বক্ষা ব্যৱস্থা আৰু মথাউৰি আৰু গড়-নিৰ্ম্মান আঁচনি বৰ্ত্তমান বছৰত চলি আছে। যোৱা কাৰ্য্যকৰী কালচোৱাত এই মথাউৰি নিৰ্ম্মাণৰ পৰিমাণ ৰাজহুৱা উন্নয়ন খণ্ডত নিৰ্ম্মাণ কৰা ৮৭ মাইল ধৰি মুঠ ১,৮২৭ মাইল আছিল। যোৱা বাৰিষা কালত ৰাজ্যৰ বিভিন্ন ঠাইত বহুতো মথাউৰিৰ ক্ষতি হৈছিল; কিন্তু সেইবোৰ পুনৰ বক্ষা হৈছে। বিভিন্ন অঞ্চলৰ কাৰণে সাহায্যমূলক আৰু পৰীক্ষামূলক সহায়ৰ উপৰিও ২·৬৭ লাখ টকাৰ পুনৰ্বসতি ঋণ মঞ্জুৰ কৰা হৈছিল। মজলীয়া জলসিঞ্চন আঁচনিত প্ৰায় ২৯·৭ লাখ টকা খৰচ কৰাৰ উপৰিও ৬৯·৫ লাখ টকাৰ নতুন বাণ-নিয়ন্ত্ৰণ আঁচনি হাতত লোৱা হৈছে। ক্ষুদ্ৰ জলসিঞ্চন আঁচনিত ৩২·৫ লাখ টকা খৰচ কৰাৰ ব্যৱস্থা হৈছে।

১৮। ৰাজ্যৰ নগৰ অঞ্চলৰ বিশেষকৈ গুৱাহাটীৰ উপযুক্ত পৰিকল্পনা সুনিশ্চিত কৰিবলৈ বহুতো ব্যৱস্থা হাতত লোৱা হৈছে। আগেয়ে যুগুত কৰা "মাষ্টাৰ প্লেন" (বৃহৎ আঁচনি) কাৰ্য্যকৰী কৰিবলৈ গুৱাহাটীৰ কাৰণে এটা পৃথক সংস্থা গঠণ কৰা হৈছে। আলি-পদূলি, দলং ইত্যাদি নিৰ্ম্মাণৰ কাৰণে মিউনিচিপেলিটি আৰু টাউন কমিটিসমূহক সহায়ক অনুদান মঞ্জুৰ কৰা হৈছে।

১৯। ৰাজ্যৰ অনুন্নত সম্প্ৰদায় আৰু জনজাতীয় লোকসকলৰ উন্নতিৰ কাৰণে ৰাজ্য চৰকাৰে যথেষ্ট মনোযোগ দি আহিছে। চলিত বছৰত সৰ্বমুঠ ২০০ লাখ টকা এই শিতানত আচুতীয়াকৈ ৰখা হৈছে। পাৰ্ব্বত্য অঞ্চলত আৰু সমতলত থকা জনজাতীয় লোকসকলৰ উন্নতিৰ কাৰণে বহুতো আঁচনি লোৱাৰ লগতে পাহাৰুৱা অঞ্চলত উপযুক্ত যাতায়াতৰ ব্যৱস্থাৰ ক্ৰমোন্নতি, অধিক চিকিৎসালয়, বিদ্যালয়, পশুচিকিৎসালয়, কৃষিৰ উন্নতি আৰু কুটিৰ-শিল্পৰ উন্নতিৰ বাবে ব্যাপক আঁচনি কাৰ্য্যকৰী হৈ আছে। অনুসূচিত জনজাতিৰ ক্ষেত্ৰত যোগ্যতা আৰু সামৰ্থ্য নিৰপেক্ষে বৃত্তি পোৱা কিন্তু অনুসূচিত জাতিৰ ছাত্ৰৰ বেলিকা সামৰ্থ্য সাপেক্ষে বৃত্তি পোৱা সংশোধনীক্ৰমে কেন্দ্ৰীয় প্ৰবেশিকোত্তৰ বৃত্তি দিয়া আঁচনি চলি আছে। যিবিলাক অনুসূচিত জাতি আৰু জনজাতীয় ল'ৰা-ছোৱালীয়ে কোনো বৃত্তি নেপায় তেওঁলোকক মাধ্যমিক স্কুলত বিনামূলীয়া শিক্ষা দিয়া হৈছে। শ্বিলঙত জনজাতীয় শিক্ষা প্ৰতিষ্ঠান স্থাপনৰ লগে লগে কেন্দ্ৰীয় বিভাগত আৰু কিছুমান আঁচনি হাতত লোৱা হৈছে। পাহাৰুৱা অঞ্চলত সকলো ৰাজহুৱা উন্নয়ন খণ্ডক আৰু সমতলত জনজাতীয় লোকৰ মাজত থকা দুটা ৰাজহুৱা উন্নয়ন খণ্ডক বিশেষ জনজাতীয় খণ্ডলৈ ৰূপান্তৰিত কৰাটো বিশেষভাৱে উল্লেখযোগ্য। মিজো জিলাত যি "মৌতাম" দুৰ্ভিক্ষত ৰাজ্য চৰকাৰৰ ১·৮ কোটি টকা খৰচ হৈছে সেই মিজো জিলা বছৰৰ আগভাগত ঠায়ে ঠায়ে ধুমুহাৰ পৰা ক্ষতিগ্ৰস্ত হৈছিল আৰু তাৰ কাৰণে ২·৩৬ লাখ টকা খৰচ কৰি তৎক্ষণাৎ সাহায্যৰ ব্যৱস্থা লবলগীয়া হৈছিল। তাৰ উপৰি প্ৰাকৃতিক দুৰ্য্যোগত বিপন্ন হোৱা ৰাইজৰ মাজত ২·৬ লাখ টকাৰ কৃষিঋণ আৰু ৫৯,৮·০ টকাৰ পুনৰ্বসতি ঋণ বিলোৱা হৈছিল। জনজাতীয় লোকসকলৰ Advisory Council ৰ অনুমোদনক্ৰমে সকলো জিলা আৰু স্থানীয় পৰিষদসমূহৰ বিত্তীয়

অৱস্থা পৰীক্ষা কৰিবলৈ চৰকাৰে এটা কমিটি গঠন কৰিছিল। এই কমিটিৰ প্ৰতিবেদন বৰ্ত্তমানে Advisory Council ৰ বিবেচনাধীন হৈ আছে। Advisory Council ৰ পৰামৰ্শ অনুসৰি জনজাতীয় "বেল্ট" আৰু খণ্ডৰ কাৰ্য্যকাৰিতা পৰীক্ষা কৰিবলৈ এটা কমিটি গঠন কৰা হৈছে।

২০। উন্নয়নমূলক কাৰ্য্যসমূহৰ প্ৰগতি আৰু কাৰ্য্যদক্ষতা সন্তোষেৰে আগ বঢ়াৰ লগে লগে যাতে খাদ্যসামগ্ৰীৰ দৰ উচিত মানত থাকে তাৰ কাৰণে আৱশ্যকীয় কাৰ্য্য-পন্থা হাতত লোৱা হৈছে। বৰ্ত্তমান বছৰত চৰকাৰে ৩৫ লাখ মোন ধানৰ পুঁজি হাতত ৰাখি সময়ে সময়ে সেৱা-সমবায়ৰ যোগেদি আৰু সস্তীয়া মূল্যৰ দোকানৰ জৰীয়তে ধান উলিয়াই দিছিল। অহা বছৰৰ কাৰণেও ধান-সংগ্ৰহ আঁচনি চলাই থাকিবলৈ মন কৰা হৈছে কিন্তু এই বছৰত এই আঁচনিত হোৱা খৰচ পূৰাবলৈ বেঙ্কৰ পৰা ধাৰ লবলৈ স্থিৰ কৰা হৈছে।

২১। এইবাৰ দেশৰ আন ঠাইত লোৱাৰ দৰে আমাৰ ৰাজ্যতো ব্যাপকভাৱে পিয়লৰ কাম হাতত লোৱা হৈছিল। ইয়াৰ দ্বাৰা যোৱা দহ বছৰৰ ভিতৰত ৰাজ্যৰ জনসংখ্যা ৩৪·৪% বঢ়া দেখা গৈছে আৰু জনমুৰি আয় যথেষ্ট বৃদ্ধি পোৱা দেখা গৈছে। দ্ৰুতগতিত আগবঢ়া জনসংখ্যাৰ অনুবৰ্ত্তী নিবনুৱা সমস্যা, যাইকৈ শিক্ষিত নিবনুৱা সমস্যা, যথা-যথভাৱে প্ৰতিবোধ কৰিবলৈ অহা কেই বছৰৰ ভিতৰত ৰাজ্যৰ ঔদ্যোগিক বিকাশ আৰু সৰ্ব্বতোমুখী অৰ্থনৈতিক বিকাশৰ দ্বাৰা সম্ভৱ হব বুলি আশা কৰা হৈছে।

২২। যোৱা বছৰটো আমাৰ ৰাজ্যৰ কাৰণে শান্তি-শৃঙ্খলাৰ বছৰ বুলিব পাৰি। কাছাৰত হোৱা ভাষা আন্দোলনৰ বাহিৰে শান্তি-শৃঙ্খলা প্ৰায় স্বাভাৱিক অৱস্থাত আছিল আৰু ৰাজ্যত ভাষা আন্দোলনৰ দ্বাৰা আক্ৰান্ত হোৱা লোকসকলৰ পুনৰ্বসতিৰ কাম সন্তোষ-জনকভাৱে সমাধা হৈছিল। সৰ্ব্বতোমুখী বিকাশৰ যোজনা কাৰ্য্যকৰী কৰা আৰু দেশৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক ক্ৰমবিকাশে ৰাজ্যখনক বিৰাট অৰ্থনৈতিক আন্দোলনৰ পিনে আগবঢ়ায় নিছে। এই আন্দোলনে অসমৰ ৰাইজৰ সময়োপযোগী সকলো অভাৱ আৰু প্ৰয়োজনীয়তা সমাধান কৰিবলৈ সক্ষম হব আৰু দেশৰ আন আন উন্নত ৰাজ্যৰ লগত সমানে ঠাই লবলৈ অসমক যোগ্য কৰিব।

২৩। মাননীয় অধ্যক্ষ মহোদয়, এইখিনি বক্তব্যৰে, মই ১৯৬২-৬৩ চনৰ প্ৰথম চতুৰ্থাংশ কালচোৱাৰ ব্যয়ৰ কাৰণে ২০·৫৪ কোটী টকা লেখানুদানৰ বিষয়ে বিবেচনা কৰিবলৈ সদনক অনুৰোধ জনালোঁ।

AGP [Finance (c)]—1,000—23-3-62.